# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-03-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কুৱেটৰ যুৱৰাজৰ সৈতে টেলিফোনেৰে কথা পাতি দেশখনৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতা উলংঘা কৰাৰ বিষয়টোত গৰিহণা দিছে।

২। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেই ক্ষীপ্ৰ আৰু শান্তিপূৰ্ণভাৱে মধ্যপ্ৰাচ্যৰ সংঘাত সমাপ্ত কৰাৰ বাবে আহ্বান জনাইছে।

৩। বিজেপিয়ে সমাগত ৰাজ্যসভা নিৰ্বাচনৰ বাবে ওড়িশাৰ পৰা দুগৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

৪। সমগ্ৰ দেশতে আজি ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কুৱেটৰ যুৱৰাজ শ্বেইখ ছাবাহ্ অল-খালেদ্ অল-হামাদ অল-মোবাৰক অল-ছাবাহৰ সৈতে টেলিফোনেৰে কথা পাতে আৰু কুৱেটৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতা উলংঘা কৰাৰ বিষয়টোত গৰিহণা দিছে। তেওঁ কয়, যে এই জটিল সময়ত ভাৰত দেশখনৰ সৈতে সহযোগিতাৰে থিয় দি আছে। এই বাৰ্তালাপৰ সময়ত শ্ৰীমোদীয়ে আঞ্চলিক শান্তি আৰু স্থিৰতা পুনৰ ঘূৰাই অনাৰ বাবে আলোচনা আৰু কূটনীতিৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কুৱেটত থকা ভাৰতীয় লোকসকলৰ সুৰক্ষাৰ বাবে দেশখনৰ নেতৃত্বৰ অবিৰত সহায়-সহযোগিতাৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী লগতে কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাদ অল-থানিৰ সৈতেও বাৰ্তালাপ কৰে আৰু কাটাৰৰ সৈতে ভাৰতৰ শক্তিশালী সংহতিৰ কথা প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই আলোচনাৰ মাধ্যমেৰে অঞ্চলটোলৈ শান্তি আৰু স্থিৰতা পুনৰ ঘূৰাই অনাত তাৎক্ষণিক প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

ইয়াৰ পাছত শ্ৰীমোদীয়ে ওমানৰ ছুলতান হাইথাম বিন তাৰিকৰ সৈতে কথাপাতি পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে। শ্ৰীমোদীয়ে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি ওমানৰ সহায়-সহযোগিতাৰো শলাগ লয়।

০০০০০

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেই ক্ষীপ্ৰ আৰু শান্তিপূৰ্ণভাৱে মধ্যপ্ৰাচ্যৰ সংঘাত সমাপ্ত কৰাৰ বাবে আহ্বান জনাইছে। তেওঁ এই বুলিও সকীয়াই দিছে যে, দীৰ্ঘদিনলৈ এই সংঘাত অব্যাহত থাকিলে, ই শ্ৰীলংকাকে ধৰি গোলকীয়া আৰু আঞ্চলিক অৰ্থনীতিত বাৰুকৈয়ে প্ৰভাৱ পেলাব। সংসদত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেল আৰু গেছ্ যোগানৰ ব্যাঘাতে পৰ্যটন, জাহাজ আৰু বিমান আদি বিভিন্ন খণ্ডত বিদেশত কাম কৰি থকা শ্ৰীলংকাৰ নাগৰিকসকলকো প্ৰভাৱিত কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বৰ্তমানলৈকে ইন্ধনৰ সংৰক্ষণ পৰ্যাপ্ত হৈ আছে। তেওঁ লগতে এই সংঘাতৰ ফলত সৃষ্টি হ'ব পৰা যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে চৰকাৰ, সংসদ আৰু জনসাধাৰণক সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনাইছে।

ooooo

বিজেপিয়ে সমাগত ৰাজ্যসভা নিৰ্বাচন বাবে ওড়িশাৰ পৰা দুগৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি মনমোহন সমল আৰু প্ৰাক্তন সাংসদ সুজিত কুমাৰক ওড়িশাৰ পৰা দলীয় প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। ৰাজ্যসভাৰ ৪ খন আসনৰ বাবে অহা ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫ মাৰ্চ হৈছে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ৬ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ অন্তিম দিন ৯ মাৰ্চ ধাৰ্য কৰা হৈছে। ১৬ মাৰ্চৰ পুৱা ৯ বজাৰ পৰা ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব আৰু সেই দিনাই ভোটগণনাও কৰা হ'ব। ইয়াৰ পূৰ্বে বিজু জনতা দল বিজেডিয়ে ৰাজ্যসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেডিৰ সভাপতি নবীন নাটনায়কে সনটুপ্তা মিশ্ৰ আৰু ডং দত্তেশ্বৰ হোটাক প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যুদ্ধত সমৰ্থন নজনোৱাৰ বাবে স্পেইনৰ সৈতে বাণিজ্য বন্ধ কৰাৰ হুংকাৰ দিছে। স্পেইনৰ বৈদেশিক মন্ত্ৰী জোচে মেনুৱেল আলবাৰেছে ৰাষ্ট্ৰসংঘৰ চনদত অন্তৰ্ভুক্ত নোহোৱা কোনো আক্ৰমণত আমেৰিকাক দক্ষিণ স্পেইনৰ ঘাটিসমূহ ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব বুলি কোৱাৰ এদিন পিছতে আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য কৰে। স্পেইন ইউৰোপীয় সংঘৰ অধীনত থকাৰ পৰিপ্ৰেক্ষিতত ট্ৰাম্পে স্পেইনৰ সৈতে বাণিজ্য কেনেকৈ বিচ্ছিন্ন কৰিব সেয়া অৱশ্যে স্পষ্ট নহয়। ইউৰোপীয় সংঘই ২৭খন সদস্য দেশৰ হৈ বাণিজ্যিক চুক্তিৰ আলোচনা কৰে। স্পেইনে নিজৰ স্থিতি ৰক্ষা কৰি কয় যে তেওঁলোক নাটোৰ মূল সদস্য, নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিছে আৰু ইউৰোপীয় ভূখণ্ডৰ প্ৰতিৰক্ষাত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে জানিবলৈ দিয়া অনুসৰি পশ্চিম এছিয়াত ক্ৰমাৎ বৃদ্ধি পোৱা সংঘাতৰ মাজতে উপসাগৰীয় অঞ্চলৰ মাজেৰে যাত্ৰা কৰা সকলো সামুদ্ৰিক বাণিজ্য বিশেষকৈ শক্তিৰ বাবে আমেৰিকা চৰকাৰে বীমা আৰু বিত্তীয় সুৰক্ষাৰ নিশ্চয়তা প্ৰদানৰ বাবে আগবাঢ়িছে।

ট্ৰাম্পে সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলৰ এটা পোষ্টত সদৰী কৰে যে তেওঁ আমেৰিকাৰ আন্তঃৰাষ্ট্ৰীয় উন্নয়ন বিত্ত নিগম নামৰ চৰকাৰী সংস্থাক এই অঞ্চলৰ তেল পৰিৱাহী টেংকাৰ আৰু বাণিজ্যিক জাহাজসমূহক অতি যুক্তিসংগত মূল্যত ৰাজনৈতিক সংকটৰ বীমা প্ৰদান কৰিবলৈ হোৱাকৈ নিৰ্দেশ দিছে। ট্ৰাম্পে লগতে জনাইছে যে প্ৰয়োজনত আমেৰিকাৰ নৌসেনাই হৰমুজ প্ৰণালীৰ মাজেৰে বাণিজ্যিক জাহাজসমূহক নিৰাপত্তা প্ৰদান কৰিব। কালি ইৰাণে পাঁচখন জাহাজ আক্ৰমণ কৰি পাৰ হ'বলৈ চেষ্টা কৰা আন যিকোনো জাহাজক আক্ৰমণ কৰাৰ ভাবুকি দিয়াৰ পাছতেই চতুৰ্থ দিনৰ বাবে হৰমুজেৰে পৰিৱহণ ব্যাহত হৈ পৰিছে। উল্লেখযোগ্য যে পাৰ্চী উপসাগৰত থকা সাগৰৰ সংকীৰ্ণ খণ্ডটো বিশ্ব বাণিজ্যৰ বাবে অতি প্ৰয়োজনীয়।

ooooo

সমগ্ৰ দেশতে আজি ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। সমাজৰ সকলো শ্ৰেণীয়ে অতি উৎসাহেৰে উদযাপন কৰা ফাকুৱা উৎসৱে সমতা আৰু ভ্ৰাতৃত্ববোধৰ বাৰ্তা দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ফাকুৱা উপলক্ষে দেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে ফাকুৱা হৈছে সামাজিক সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰা আনন্দ আৰু উদযাপনৰ উৎসৱ। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে এই উৎসৱে সমাজত প্ৰেম আৰু আশাৰ বাৰ্তা কঢ়িয়াই আনে আৰু সামাজিক সংহতিৰ মনোভাৱ সুদৃঢ় কৰে। তেওঁ এই উৎসৱক বৈচিত্ৰ্যৰ একতাৰ প্ৰতীক বুলি অভিহিত কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ফাকুৱা উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে এই উৎসৱত ভাৰতৰ চহকী সংস্কৃতি, পৰম্পৰা আৰু ভাতৃত্ববোধৰ প্ৰতিফলন ঘটে।

ooooo

ৰাষ্ট্ৰীয় ৰাজধানীত হোলী উপলক্ষে দিল্লী যান-বাহন আৰক্ষীয়ে সুকলমে যান-বাহন ব্যৱস্থাপনা নিশ্চিত কৰাৰ বাবে বিশদ ব্যৱস্থা কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত অতিৰিক্ত আৰক্ষী আয়ুক্ত দীনেশ কুমাৰ গুপ্তাই কয় যে পুৱাৰ পৰা সন্ধিয়ালৈকে প্ৰায় ১৩৪টা মুল স্থানত আৰক্ষী জোৱান মোতায়েন কৰা হ'ব। তেওঁ কয় যে স্থানীয় আৰক্ষীৰ সমন্বয়ত ৭৯টা স্থানত এলক'মিটাৰেৰে সজ্জিত দলসমূহে সুৰাপায়ী চালক বিৰোধী অভিযান চলাব।গুপ্তাই লগতে কয় যে ভুল দিশেৰে বাহন চলালে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে পশ্চিম এছিয়া অঞ্চলত ৫ আৰু ৬ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা পিছুৱাই দিছে। পৰীক্ষাসমূহৰ সংশোধিত তাৰিখ পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব। ৭ মাৰ্চৰ পৰা অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা সন্দৰ্ভত

বৃহস্পতিবাৰৰ ভিতৰত পৰিস্থিতি পুনৰীক্ষণ কৰি সিদ্ধান্ত লোৱা হ’ব বুলিও পৰিষদে উল্লেখ কৰিছে।

ooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ’বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি হ’ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ’ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইত ভাৰত, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ’ব।

ooooo

বাৰ্মিংহামত কালিৰে পৰা অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ অপেনিং ৰাউণ্ডত ভাৰতৰ লক্ষ্য সেনে যোৱাৰবাৰৰ বিজয়ী তথা বিশ্বৰ এক নম্বৰ খেলুৱৈ চীনৰ শ্বি য়ুকীক ২৩-২১, ১৯-২১, ২১-১৭ গেমত পৰাজিত কৰে। মিক্সড ডাবলছত ভাৰতৰ তানিশ্বা ক্ৰাষ্টো আৰু ধ্ৰুৱ কপিলা দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰথম ৰাউণ্ডত যুটীটোৱে মালয়েছিয়াৰ হু পেঙ ৰন আৰু ছেং চু য়িনৰ যুটীক ২১-১৭, ২১-১৯ গেমত পৰাস্ত কৰে।

ইপিনে, অলিম্পিকত দুবাৰকৈ পদক বিজয়ী পি ভি সিন্ধুৱে পশ্চিম এছিয়াৰ সংঘাতৰ ফলত ডুবাই বিমান বন্দৰত আৱদ্ধ হৈ পৰাত পুনৰ দেশলৈ উভতি অহাত এই প্ৰতিযোগিতাত ভাগ লোৱাৰ পৰা বঞ্চিত হৈছে।

ooooo

**সমাপ্ত**